অৰুণ জেটলী
সংসদৰ সদস্য
বিৰোধী দ'লৰ নেতা
ৰাজ্যসভা

৪৩ পাৰ্লিয়ামেণ্ট হাউচ
নতুন দিল্লী-১১০০০১
দূৰভাষ নং -২৩০১৬৭০৭/২৩০৩৪৮৮৩
ফেক্স - ২৩৭৯৩৪৩৩

দিনাংক - ৩০ জানুৱাৰী ২০১৪

মাননীয় প্ৰধানমন্ত্ৰী

২০ জানুৱাৰী ২০১৪ তাৰিখে মই লিখা পত্ৰৰ উত্তৰ আপুনি ২৮ জানুৱাৰী ২০১৪ তাৰিখে দিয়াৰ বাবে মই কৃতজ্ঞ । আপোনাৰ পত্ৰত উল্লেখ আছে যে লোকপালৰ চেয়াৰপাৰ্চন আৰু অন্যান্য সদস্যৰ নিযুক্তিৰ বিজ্ঞাপন লোকপাল আৰু লোকায়ুক্ত এক্টৰ অনুচ্ছেদ ৪(৫) আৰু নিয়মাৱলীৰ নিয়ম ১০ অনুসৰি জাৰী কৰা হৈছে ।

এই সন্দৰ্ভত অনুচ্ছেদ ৪(৪) হে প্ৰযোজ্য, অনুচ্ছেদ ৪(৫) নহয় । এক্টৰ অনুচ্ছেদ ৪(৪)ত উল্লেখ আছে যে -

' চিলেক্সন কমিটিয়ে লোকপালৰ চেয়াৰপাৰ্চন আৰু অন্যান্য সদস্যৰ নিৰ্বাচন কৰোতে নিজে তৈয়াৰ কৰা কাৰ্য্য প্ৰণালীৰ জৰিয়তে নিয়ন্ত্ৰন কৰিব'।

অনুচ্ছেদ ৪(৪) পঢ়োতে এইয়া স্পষ্ট হৈ যায় যে লোকপালৰ চেয়াৰপাৰ্চন আৰু অন্যান্য সদস্যৰ নিৰ্বাচন চিলেক্সন কমিটিৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব । কেৱল চিলেক্সন কমিটিয়ে লোকপালৰ চেয়াৰপাৰ্চন আৰু অন্যান্য সদস্যৰ নিৰ্বাচনৰ বাবে কাৰ্য্যপ্ৰণালী তৈয়াৰ কৰাৰ ক্ষমতা আছে । তেনেহ'লে ব্যক্তিগত আৰু প্ৰশিক্ষন বিভাগে বিজ্ঞাপন জাৰী কৰাৰ ভিত্তিত চাৰ্চ কমিটিয়ে প্ৰাৰ্থী নিৰ্বাচন কৰিবনে অথবা ব্যৱস্থাত উপলব্ধ থকা উপযুক্ত ব্যক্তিক পদৰ বাবে নিমন্ত্ৰণ কৰিব । নিৰ্বাচনৰ কাৰ্য্যপ্ৰণালী কেনে হ'ব এই প্ৰশ্নৰ সিদ্ধান্ত চিলেক্সন কমিটিয়েহে ল'ব পাৰিব । চিলেক্সন কমিটি এতিয়ালৈকে গঠনেই হোৱা নাই আৰু তেওঁলোকে আজিলৈকে কোনোধৰণৰ বৈঠকো কৰা নাই । সেইবাবে এতিয়ালৈকে লোকপালৰ চেয়াৰপাৰ্চন আৰু অন্যান্য সদস্যৰ নিযুক্তিৰ কোনো কাৰ্য্যপ্ৰণালীৰ ওপৰত সিদ্ধান্ত লোৱা হোৱা নাই ।

অনুচ্ছেদ ৪(৫) আৰু অনুচ্ছেদ ৪(৪) ক সংগতিপূৰ্ণভাৱে পঢ়িব লাগিব । অনুচ্ছেদ ৪(৫) এনেদৰে পঢ়িব লাগিব যাতে অনুচ্ছেদ ৪(৪) অস্তিত্ববিহীন হৈ নাযায় । এই দুই অনুচ্ছেদক সংগতিপূৰ্ণভাৱে পঢ়িলে অনুচ্ছেদ ৪(৫) ৰ অৰ্থ সীমিত কৰি দিব, যিয়ে বুজাব যে নিয়মৱলী কেৱল চাৰ্চ কমিটিৰ আভ্যন্তৰীণ কাৰ্য্য কৰাৰ ক্ষেত্ৰত বিশেষ মণ্ডলীৰ নিৰ্বাচনত প্ৰযোয্য হ'ব । নিয়মাৱলীত অন্তৰ্ভূক্ত নিৰ্বাচনৰ কাৰ্য্যপ্ৰণালী আতঁৰাব লাগিব যিহেতু অনুচ্ছেদ ৪(৪) ৰ মতে এইয়া চিলেক্সন কমিটিৰ বিশেষাধিকৰ । নিয়মৱলীৰ ১০ নং নিয়ম, যি চৰকাৰে আমোলা বিষয়া আৰু আইন তৈয়াৰ নকৰা ব্যক্তিৰ সিদ্ধান্ত মৰ্মে প্ৰস্তুত কৰিছে ই অনুচ্ছেদ ৪(৪) ত চিলেক্সন কমিটিক দিয়া অধিকাৰ আৰু ক্ষমতাক সম্পুৰ্ণভাৱে শেষ কৰি পেলাব ।

এই ক্ষেত্ৰত আইন স্পষ্ট । নিৰ্বচনৰ কাৰ্য্যপ্ৰণালীৰ সিদ্ধান্ত কেৱল চিলেক্সন কমিটিয়েহে ল'ব । নিয়মাৱলীয়ে কেৱল এইয়াই সিদ্ধান্ত ল'ব যে চাৰ্চ কমিটয়ে কেনেধৰণেৰে বিচাৰক মণ্ডলীৰ তালিকা প্ৰস্তুত কৰিব । দুয়ো অনুচ্ছেদৰ ভিন্নতাক সন্মান কৰিব লাগিব আৰু যদি এইয়া কৰা নহয় তেতিয়া অনুচ্ছেদ ৪(৪) অতিৰিক্ত অনুচ্ছেদ হিচাপে গণ্য হ'ব ।

সেইবাবে মই অনুৰোধ কৰিছো যে চৰকাৰে এই সন্দৰ্ভত লোৱা সিদ্ধান্ত পুনৰ এবাৰ বিচাৰ কৰক । এনে পদৰ নিযুক্তি কি দ্বৰে হ'ব এইয়া কেৱল চিলেক্সন কমিটিৰ বিশেষ অধিকাৰ, চাৰ্চ কমিটৰ নহয় ।

সন্মানেৰে

আপোনাৰ বিশ্বাসী

(অৰুণ জেটলী)

ড: মনমোহন সিঙ

মাননীয় ভাৰতৰ প্ৰধানমন্ত্ৰী

চাউথ ব্লক,

নতুন দিল্লী